# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :15-**12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

যোৱানিশা দেহাৱসান ঘটা অসমৰ সংবাদ জগতৰ মহীৰুহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, ট্ৰিবিউন গোষ্ঠীৰ অধ্যক্ষ তথা বৰ্ষীয়ান সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ অন্ত্যেষ্টিক্ৰিয়া গুৱাহাটী নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। ৰাজ্য চৰকাৰৰ হৈ বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু পীযূষ হাজৰিকাই শেষকৃত্যথলীত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ আগেয়ে তেওঁৰ নশ্বৰদেহ আজি পুৱাৰ ভাগত কৰ্মস্থল দি আছাম ট্ৰিবিউন চৌহদত ৰখা হয়। ইয়াতেই গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা তৰ্পণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰ্ষীয়ান সাংবাদিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদ জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে বৰুৱা চিৰস্মৰণীয় হৈ ৰ'ব। শ্ৰীমোদীয়ে লগতে অসমৰ প্ৰগতি তথা ৰাজ্যখনৰ সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ দিশত সাংবাদিকগৰাকীৰ একনিষ্ঠ সেৱাৰ কথা সোঁৱৰে। প্ৰধানমন্ত্ৰীয়ে বৰুৱাৰ পৰিয়াল আৰু গুণমুগ্ধসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰি এইদৰে কয়।

বাইট

০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত কাইলৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানী গ্ৰহণ কৰা হ'ব। কাইলৈ সাতোগৰাকী অভিযুক্তক আদালতত ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। চৰকাৰী পক্ষৰ আবেদনৰ ভিত্তিত মুখ্য ন্যায়িক দণ্ডাধীশে অভিযুক্তকেইগৰাকীক ভাৰ্চুৱেলী হাজিৰ কৰাৰ অনুমতি প্ৰদান কৰে। উল্লেখযোগ্য যে আদালতৰ নিয়ম অনুসৰি প্ৰথমটো শুনানীৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তক আদালতত অভিযোগনামাৰ প্ৰতিলিপি দিয়া হয়। বাক্সাৰ নিকাছী কাৰাগাৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, সন্দীপন গাৰ্গৰ লগতে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৈশ্যক ৰখা হৈছে। আনহাতে আন দুজন অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত হাফলঙৰ কাৰাগাৰত আছে।

০০০

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনলৈ ৰাষ্ট্ৰীয় গ্ৰীডৰ পৰা বিদ্যুৎ শক্তিৰ সৰবৰাহ সুনিয়াৰি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে বজালী জিলাৰ বৰনগৰত এটা উচ্চ ক্ষমতাসম্পন্ন শক্তি কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লৈছে। বৰনগৰ কেন্দ্ৰটোৱে বঙাইগাঁও জিলাৰ চালাকাটিৰ শক্তিকেন্দ্ৰটোৰ বিকল্প ৰূপে কাম কৰিব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি সৰুপেটা ৰাজহচক্ৰৰ অধীনৰ

গদাপীঠ আৰু ভোগপুৰ গাঁৱত স্থাপন কৰিবলগীয়া এই অত্যাধুনিক শক্তিকেন্দ্রটো প্রথমতে ৪০০ কে ভি চুইট্‌চিং ষ্টেচনৰূপে নির্মাণ কৰা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত ই ৭৬৫ কে ভি শক্তি বিতৰণ কেন্দ্রলৈ উন্নীত কৰা হ'ব। নির্মাণ সম্পূর্ণ হোৱাৰ পাছত এই কেন্দ্রটোক বঙাইগাঁও-বালিপৰা উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবহন লাইন আৰু আলিপুৰ দুৱাৰ-বঙাইগাঁও উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবহন লাইনৰ সৈতে সংযুক্ত কৰি ৰাষ্ট্ৰীয় গ্ৰীডৰ পৰা বিদ্যুৎ পৰিবহনৰ ব্যৱস্থা কৰা হ'ব। এন ই আৰ এক্সপান্‌চন ট্ৰেন্সমিছন লিমিটেড নামেৰে গঠিত এটা নতুন কেন্দ্রীয় সংস্থাক এই বিদ্যুৎ কেন্দ্র স্থাপনৰ দায়িত্ব অর্পণ কৰা হৈছে।

০০০

ভাৰতীয় জনতা পাৰ্টিয়ে সমাগত অসম বিধানসভা নির্বাচনৰ বাবে দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত পাণ্ডাক নির্বাচনী তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে। দলে লগতে বিধায়ক আৰু জম্মু-কাশ্মীৰ বিধানসভাত বিৰোধী দলৰ নেতা সুনীল কুমাৰ শৰ্মা আৰু প্ৰাক্তন কেন্দ্রীয় মন্ত্রী দর্শনা বেন জৰ্ডোছক এই নির্বাচনৰ সহ-তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে।

০০০

আৰক্ষীৰ অপৰাধ শাখাই মেচ ফিক্সিঙৰ অভিযোগ উঠা চাৰিগৰাকী ক্ৰিকেটাৰ অমিত সিনহা, ঈশান আহমেদ, অমন ত্ৰিপাঠী আৰু অভিষেক ঠাকুৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। সেই অনুসৰি যিকোনো মুহূৰ্ততে এই চাৰিগৰাকী ক্ৰিকেট গ্ৰেপ্তাৰ হ'ব পাৰে। অসম ক্ৰিকেট সন্থাই এই চাৰিগৰাকী ক্ৰিকেটাৰৰ বিৰুদ্ধে আৰক্ষীৰ অপৰাধ শাখাক এজাহাৰ দাখিল কৰিছিল। ইয়াৰ পূৰ্বে মেচ ফিক্সিঙৰ অভিযোগত অসম ক্ৰিকেট সন্থাই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ৪ জন খেলুৱৈকে নিলম্বন কৰিছিল। উল্লেখযোগ্য যে লক্ষ্ণৌত অনুষ্ঠিত মুস্তাক আলী ট্ৰফীৰ প্ৰাথমিক পৰ্যায়ৰ খেলৰ সময়ত অসম দলৰ একাংশ খেলুৱৈক মেচ ফিক্সিং কৰিবলৈ এই চাৰিগৰাকী ক্ৰিকেটাৰে প্ৰলোভিত কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

০০০

**ঃঃ সমাপ্ত ঃঃ**